**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-12-2025 **Time :** 1100 Hrs.

0000000000

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত কালিৰে পৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। ৬ জানুৱাৰীলৈকে হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্ধনা জনায়। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকে। বিশিষ্ট লেখক শ্ৰী ত্ৰিপাঠীয়ে নিজৰ ভাষণত যুৱ প্ৰজন্মক নিজৰ ঐতিহ্য আৰু ইতিহাসত আলোকপাত কৰি লেখা সৃষ্টি কৰাৰ বাবে আহ্বান জনায়। তেওঁ লগতে লাচিত বৰফুকনৰ বীৰত্বক লৈ গ্ৰন্থ ৰচনাৰো পোষকতা কৰে।

বাইট

0000000

মানস ৰাষ্ট্ৰীয় উদ্যান দেশী-বিদেশী পৰ্যটকেৰে ভৰি পৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৰ ফাতেমাবাদ চাহ বাগিচা পৰ্যটকৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰবিন্দু হৈ পৰিছে। চীন, আমেৰিকা, কানাডা আদি দেশৰ পৰা অহা ৬০ জনীয়া এটা বৃহৎ পৰ্যটকৰ দলে ৰাষ্ট্ৰীয় উদ্যানখন পৰিভ্ৰমণ কৰি আপ্লুত হৈ পৰে। বিদেশী পৰ্যটকৰ দলটো ফাতেমা চাহ বাগিচাৰ সৌন্দৰ্য উপভোগ কৰি অভিভূত হৈ পৰে। কিছুদিন পূৰ্বে কানাডাৰ এটা বৃহৎ দলেও ৰাষ্ট্ৰীয় উদ্যানখনৰ লগতে দাঁতি কাষৰীয়া অঞ্চলসমূহ পৰিভ্ৰমণ কৰি গৈছিল। এই সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনত বনৰীয়া জীৱ-জন্তুৰ লগতে চৰাই-চিৰিকতিৰ দৃশ্যই পৰ্যটকক আকৰ্ষণ কৰে। বিগত কিছু বছৰৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ সংখ্যা বৃদ্ধিয়ে ৰাষ্ট্ৰীয় উদ্যানখনলৈ আশাৰ সঞ্চাৰ কৰিছে।

0000000

ধুবুৰীৰ গৌৰীপুৰ আৰক্ষীয়ে কালি এগৰাকী সন্দেহজনক বাংলাদেশী মহিলাক আটক কৰে। বাংলাদেশৰ পৰা দুষ্টচক্ৰই মহিলাগৰাকীৰ জৰিয়তে আধাৰকাৰ্ড প্ৰস্তুত কৰি দিল্লীত বিক্ৰী কৰাৰ অভিযোগ উত্থাপন হৈছে। সন্দেহজনক মহিলাগৰাকীয়ে দিল্লীৰ পৰা পলাই আহি কোচবিহাৰৰ গৌৰীপুৰত উপস্থিত হোৱাৰ পাছতে আৰক্ষীয়ে আটক কৰে। গৌৰীপুৰ আৰক্ষীয়ে সমগ্ৰ বিষয়ৰ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত ৯ গৰাকীকৈ মহিলাক কামৰ বাবে বাংলাদেশৰ পৰা ভাৰতলৈ ভাৰতলৈ অবৈধভাৱে সৰবৰাহ কৰা হৈছিল। এই সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

0000000

সমাগত বিধানসভা নিৰ্বাচন উপলক্ষে শিৱসাগৰ জিলাৰ অন্তৰ্গত ডিমৌ, শিৱসাগৰ আৰু নাজিৰা বিধানসভা সমষ্টিৰ বাবে ব্যৱহৃত ই ভি এম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ কাৰ্যসূচী পৰহিলৈ

আৰম্ভ হ'ব। ৭ জানুৱাৰীলৈ প্ৰতিদিনে পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈকে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এই পৰীক্ষণ কৰা হ'ব। এই পৰীক্ষণ প্ৰক্ৰিয়া ইলেক্ট্ৰনিক্‌ছ ক'ৰ্পৰেচন অব্ ইণ্ডিয়া লিমিটেডৰ পাঁচজনীয়া অভিযন্তাৰ দ্বাৰা সম্পন্ন কৰা হ'ব। সমগ্ৰ প্ৰক্ৰিয়াটো শিৱসাগৰৰ জিলা নিৰ্বাচনী বিষয়াৰ তত্বাৱধানত অনুষ্ঠিত হ'ব। এই পৰীক্ষণ প্ৰক্ৰিয়াৰ তত্বাৱধায়ক হিচাপে জিলাখনৰ অতিৰিক্ত উপায়ুক্ত মীনাক্ষি পাৰ্মেক নিয়োজিত কৰা হৈছে। লগতে জিলা নিৰ্বাচনী বিষয়া আদিতি নেওগকো এই পৰীক্ষণ কাৰ্যসূচীৰ দায়িত্ব দিয়া হৈছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি সমগ্ৰ প্ৰক্ৰিয়া ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃত ৰাজনৈতিক দলসমূহৰ অনুমোদিত প্ৰতিনিধিসকলৰ উপস্থিতিত অনুষ্ঠিত হ'ব।

0000000

সদৌ অসম মইনা পাৰিজাতৰ অষ্টদশ দ্বিবাৰ্ষিক শিশু সমাৰোহ কাইলৈৰ পৰা গোলাঘাটৰ পোৰাবাংলাত জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। ২৯ ডিচেম্বৰলৈ হ'বলগীয়া এই সমাৰোহত ২৩ খন জিলাৰ ৭ হাজাৰ শিশুৱে অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে ইতিমধ্যে সমাৰোহৰ প্ৰস্তুতি সম্পন্ন কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। এই সমাৰোহত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা অংশগ্ৰহণ কৰিব।

00000000

ৰাজ্য চৰকাৰৰ মন্ত্ৰী যোগেন মহনে কালি চৰাইদেউ জিলাৰ লাকুৱা আদৰ্শ চিকিৎসালয়ক প্ৰাৰম্ভিক প্ৰেৰণ কেন্দ্ৰলৈ উন্নীতকৰণ আৰু এক্সৰে সেৱাৰ শুভাৰম্ভ কৰে। ইয়াৰ লগে লগে লাকুৱা আদৰ্শ চিকিৎসালয়ত ছিজাৰিং পদ্ধতিৰে প্ৰসূতিৰ প্ৰসৱৰ ব্যৱস্থা উপলব্ধ হৈছে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে কয়, যে লাকুৱা আদৰ্শ চিকিৎসালয়ত আৰম্ভ হোৱা সেৱাই লাকুৱাৰ লগতে নিকটৱৰ্তী অঞ্চল বিশেষকৈ চাহ বাগিচাৰ লোকসকলক সকাহ দিব।

00000000

**সমাপ্ত**